

শ্ৰীধীৰাজ কলিতা
শিক্ষক , শঙ্কৰদেৱ শিশু-বিদ্যা নিকেতন
ছমৰীয়া সত্ৰ

*জৱাহৰ লাল নেহৰু কলেজ, বকো*
*তুমি উন্মেষশালিনী চিৰ ভ্ৰাতৃত্বৰ*
*মিলনৰ আবহমান প্ৰতীক তুমি।*
*চিৰ জ্যোতিস্মান হৈ থাকা তুমি*
*জৱাহৰ লাল নেহৰু কলেজ, বকো।*

১৯৬৪ ত স্থাপিত হোৱা জৱাহৰ লাল নেহৰু মহাবিদ্যালয়খনে বিস্তৃত বকো অঞ্চলৰ ল'ৰা-ছোৱালীৰ বাবে হৈ পৰিছে 'জ্ঞান মন্দিৰ' স্বৰূপ। হাইস্কুলৰ মজিয়া পাৰ হৈ কলেজখনত ভৰি দিয়েই ক'তজনে ৰচনা কৰে ভৱিষ্যতৰ ৰঙীন সপোনবোৰ।

মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰজ্যোতি'ৰ প্ৰাক্তন ছাত্ৰৰ শিতানত লিখিবলৈ পাই নথৈ আনন্দিত হলো। এই সুযোগকণ দিয়াৰ বাবে বাইদেউ মঞ্জিৰা শৰ্মালৈ অশেষ ধন্যবাদ ও প্ৰণাম জনালো।

জৱাহৰ লাল নেহৰু কলেজৰ স্মৃতি মনলৈ আনিলেই মোৰ মৰমৰ, শ্ৰদ্ধাৰ চাৰ-বাইদেউহঁতৰ কথাবোৰহে মনত আহে। তেওঁলোকৰ একান্ত নিস্বাৰ্থ প্ৰেম, ত্যাগ, দয়া আদিৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। সেই মহান ব্যক্তিসকলৰ নাম মই এই সুযোগতে স্মৰণ কৰিব বিচাৰো — অধ্যক্ষ বসন্ত দত্ত চাৰ, দেবেন্দ্ৰ শৰ্মা চাৰ, ধৰ্ম বৰুৱা চাৰ, যতীন মেধী চাৰ, কমলেশ্বৰ ঠাকুৰীয়া চাৰ, মঞ্জিৰা শৰ্মা বাইদেউ, ৰুমিতা ফুকন বাইদেউ লগতে আন চাৰ বাইদেউসকল।

মহাবিদ্যালয় এখনৰ কৃতকাৰ্যতাৰ মূল ভেটিটোেই হ'ল অধ্যক্ষ মহোদয় প্ৰমুখ্যে প্ৰবক্তাসকল। প্ৰাচীন ভাৰতীয় ঋষি মনুৱে শিক্ষকসকলৰ বিষয়ে এই বুলি মন্তব্য কৰিছে —

"A teacher is the image of Brahma" অৰ্থাৎ পৰম ব্ৰহ্মা বা ভগৱানস্বৰূপ শিক্ষক সকলৰ ব্যক্তিত্ব আৰু মহৎ গুণৰাজিৰ ওপৰতে ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ বিকাশ আৰু অগ্ৰগতি প্ৰধানকৈ নিৰ্ভৰ কৰে। শিক্ষকসকলে প্ৰকৃততে গুণী, জ্ঞানী আৰু ছাত্ৰ-ছাত্ৰীৰ দিক-দৰ্শন কৰিব পৰা গুণৰ অধিকাৰী হোৱা উচিত। এনে শিক্ষকেহে মহাবিদ্যালৰ এটা সুন্দৰ শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰে। তদুপৰি আদৰ্শবান আৰু ব্যক্তিত্ব সম্পন্ন শিক্ষক- শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত গভীৰ সাঁচ বহুৱাব পাৰে। তেনে শিক্ষকক ছাত্ৰ-ছাত্ৰীয়ে জীৱনত কেতিয়াও পাহৰিব নোৱাৰে। অতীতৰ তেনে আদৰ্শবান শিক্ষক নতুন চামৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে। এই সকলোবোৰ গুণৰ অধিকাৰী হৈ নিস্বাৰ্থভাবে ছাত্ৰক শিক্ষা দান কৰিব পৰাটোৱে ছাত্ৰৰ বাবে মহান উপকাৰ তথা ভবিষ্যত দিক নিৰ্ণয়কাৰী ৰূপে স্বীকৃত হয়। সচাকৈয়ে মোৰ দৰে এক পিছপৰা অঞ্চলৰ ছাত্ৰ এজনে জৱাহৰলাল নেহৰু কলেজৰ মজিয়াত পাচঁ বছৰে শিক্ষা লাভ কৰি চাৰ বাইদেউহঁতৰ সংস্পৰ্শত কি দৰে আগবঢ়াই নিবলৈ সক্ষম হৈছো সেইটো কল্পনাৰ অতীত। শিক্ষকসকলৰ প্ৰিয় পাত্ৰ হবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলেও কিছুমান গুণৰ অধিকাৰী হোৱাটো বাঞ্চনীয়। শিক্ষকৰ প্ৰতি শ্ৰদ্ধাশীল, দয়াশীল, নিয়ম শৃঙ্খলা ৰক্ষাকাৰী, ব্যৱহাৰিক গুণৰ অধিকাৰী হ'ব লাগিব।

ছাত্ৰ-ছাত্ৰীসকল হ'ল মহাবিদ্যালয় একোখনৰ মূল উপজীব্য। কলেজখনৰ গৌৰৱ কঢ়িয়াই অনাত ছাত্ৰ-ছাত্ৰীসকলে অনবদ্য বৰঙণি আগবঢ়াব পাৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে সদায় ভাল ৰিজাল্ট কৰিবৰ বাবে সঙ্কল্পবদ্ধ হব লাগে। বৰ্তমান প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ লগত সমানে তাল মিলাবৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। পঢ়া শুনাৰ বাহিৰেও আন কিছুমান দিশ যেনে খেলা-ধূলা, গীত নাচ আদি বোৰতো সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰা হব লাগিব। নিজৰ চেষ্টাৰ বলতেই ছাত্ৰই সাফল্য লাভ কৰিবলৈ সক্ষম হব। এজন ছাত্ৰইহে ভবিষ্যত সুনাগৰিক হিচাপে নিজকে গঢ়ি তুলিব লাগিব।

১৯৯৫ চনৰ পৰা পাঁচ বছৰে মহাবিদ্যালয়খনত শিক্ষা শেষ কৰি বৰ্ত্তমানে নিজকে বিভিন্ন দিশত ব্যস্ত কৰাই ৰাখিছো। তেতিয়াৰ পৰা বৰ্তমানলৈকে প্ৰায় ১৫ বছৰৰ পিছত কলেজখনৰ বিষয়ে কিছু কথা কব খুজিছো। এই সময় ছোৱাত আমাৰ লগত একেলগে পঢ়া বহুকেইজনে বিভিন্ন ধৰণৰ চাকৰিত ভৰ্তি হৈছে; কোনোৱে ডাঙৰ ব্যৱসায়ী হৈছে। বহুজনৰ কথা পাহৰিয়েই গৈছো। সময়ৰ সাঁচ সকলোৰে দেহত লাগি গৈছে। কলেজত আমাক শিক্ষাদান কৰা শিক্ষকসকল এতিয়া হয়তো কলেজ এৰিবলৈ বাধ্য কৰাইছে। সময়ৰ সোঁতে সোঁতে সকলোৱে কৰ্মত গতি কৰি গৈ আছে । সময়ে কাকো বৈ থকা নাই। নতুন নতুন শিক্ষক আহিছে গৈছে, নতুন নতুন ছাত্ৰ -ছাত্ৰী আহিছে গৈছে। নতুন পুৰুষে কলেজত হেংগোলদোপ লগাইছে।

নতুনে সদাই সৃষ্টি কৰে
সৃষ্টিত আছে আনন্দ।
আছে জীয়াই থকাৰ মধুৰতা।

সেউজবুলীয়া গছ গছনীৰে ভৰা প্ৰকৃতিৰ মাজত অৱস্থিত কলেজখন। বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী মিলাপ্ৰীতিৰ সমন্বয়ৰ সেতু নেহৰু কলেজখন। কি যে কলেজ, কি যে শিক্ষকসকল, কি যে বন্ধু-বান্ধৱীসকল, কি যে সেই সময় ভাবিলেই আনন্দত সেই সময়লৈ উৰি যাবলৈ মন যায়. সময় কি যে নিষ্ঠুৰ সকলোবোৰ পাৰ হৈ গ'ল, স্মৃতিবোৰহে সজীৱ হৈ ৰ'ল।

## মোৰ চিৰ নমস্য, জৱাহৰলাল নেহৰু মহাবিদ্যালয় ঃ বকো

মিচ্ হীৰামণি দাস
প্ৰাক্তন ছাত্ৰী

আজি আমি একবিংশ শতিকাৰ দুৱাৰ দলিত ভৰি দি নিজকে জীৱ শ্ৰেষ্ঠ বুলি পৰিচয় দিছো। এই একবিংশ শতিকাত সাহিত্য-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, বিজ্ঞান আদি সকলো দিশতেই মানৱ জাতিক আগবঢ়াই নিছে শিক্ষাই। শিক্ষা হৈছে মানৱ জগতত জ্ঞানৰ পোহৰ বিলাই দিয়া এগছি বন্তি। বৰ্তমান সমাজত শিক্ষা অপৰিহাৰ্য্য। কাৰণ শিক্ষাই মানুহৰ অজ্ঞতা দূৰ কৰে। শিক্ষা অবিহনে মানুহ যে অন্ধ সেই কথা আমাৰ জ্ঞাত। সমাজৰ কু-সংস্কাৰবোৰ আঁতৰাবলৈ হলে আমি শিক্ষাৰ পথ মুকলি কৰিব লাগিব। তেতিয়াহে আমি এজন দেশৰ সুপ্ৰতিষ্ঠিত নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হম। এই লক্ষ্য আগত ৰাখি বকো অঞ্চলৰ কেইজনমান সমাজ সচেতন লোকৰ প্ৰচেষ্টাত ইং ১৯৬৪ চনৰ কোনোবা এটা দিনত জ্ঞানৰ পোহৰ বিলাবলৈ জ্বলি উঠিল এগছি জ্ঞানৰ বন্তি। যাৰ আলোকেৰে আলোকিত হৈ বহু জনে নিজ নিজ লক্ষ্যত উপনীত হবলৈ সক্ষম হৈছিল। সেইখনেই হ'ল আমাৰ কামৰূপ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত বকো অঞ্চলৰ একমাত্ৰ মহাবিদ্যালয় জৱাহৰলাল নেহৰু মহাবিদ্যালয়; বকো।

এইখিনিতে বকো অঞ্চলৰ যি সকল সমাজ সচেতন লোকৰ প্ৰচেষ্টাত এই শিক্ষানুষ্ঠানটো গঢ়লৈ উঠিছিল সেই সকল স্বনামধন্য লোকৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

ইং ১৯৬৪ চনত জন্ম পোৱা এই শিক্ষানুষ্ঠানটোৱে প্ৰথম অৱস্থাৰ পৰাই বিভিন্ন বাধা বিঘিনি নেউচি আজিৰ এই অৱস্থা পাইছে। এই মহাবিদ্যালয়খনৰ জন্ম হোৱাৰ আগতে এই অঞ্চলৰ বহুতো মেধাসম্পন্ন ছাত্ৰ ছাত্ৰীয়ে ওচৰত উচ্চ শিক্ষাৰ ব্যৱস্থা নথকাৰ বাবে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হব লগা হৈছিল। কাৰণ এই অঞ্চলৰলোক সকল বিভিন্ন অভাৱ অনাটনৰ মাজেৰে জীৱন কটাইছিল,সেয়েহে উচ্চ শিক্ষা গ্ৰহণৰ বাবে ল'ৰা ছোৱালীক বাহিৰলৈ পঠিয়াব নোৱাৰিছিল। কিন্তু এই শিক্ষানুষ্ঠানটোৱে উচ্চ শিক্ষাৰ বাট মুকলি কৰি দিলে। যাৰ বাবে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে আৰ্থিক দৈন্যতাৰ মাজত থাকিও উচ্চ শিক্ষাৰে শিক্ষিত হৈ সমাজত এজন প্ৰতিষ্ঠাবান সুনাগৰিক হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে।

এই মহাবিদ্যালয়তে উচ্চ শিক্ষা গ্ৰহণ কৰি বিভিন্ন জনে বিভিন্ন দিশত আগবাঢ়ি গৈছে। তেওঁলোকৰ নাম লৈ শেষ কৰিব নোৱাৰি। কিন্তু এই খিনিতে মোৰ মনলৈ এজন শিক্ষকৰ কথা বাৰুকৈয়ে আহিছে। সেইজন হৈছে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ (১৯৭১—১৯৭৫)। অনামি-অখ্যাত অথচ কৰ্ত্তব্য পৰায়ণ, বিশ্বাসী, সৎচৰিত্ৰবান নীতি আদৰ্শত অতি কঠোৰ শিমলীতোলা অঞ্চলৰ কামাৰপোটা গাঁৱৰ, শিক্ষক মাননীয় শ্ৰীযুত ভৰেন চন্দ্ৰ বনিক্য। এটি সাধাৰণ পৰিয়ালত জন্ম লৈ এইজন শিক্ষকে ১৯৭৫ চনত উচ্চ শিক্ষা গ্ৰহণ কৰি নিজৰ পিছপৰা অঞ্চলটোৰ কিছু উন্নতি কৰাৰ মানসেৰে এখন বিদ্যালয় স্থাপন কৰি নিজেই সেই বিদ্যালয়ত পাঠ দান কৰিবলৈ লয়। তেওঁৰ নিষ্ঠা, কৰ্ত্তব্য পৰায়ণতা আৰু সমাজৰ প্ৰতি থকা সচেতনতা আৰু নিজ আদৰ্শৰ বাবেই ২০০৯ চনত কৃতী শিক্ষকৰ ৰাজ্যিক বঁটাৰে তেওঁ সন্মানিত হয়। এইজনা ছাত্ৰই শিক্ষা গ্ৰহণ কৰাৰ সময়ত মহাবিদ্যালয়খনৰ অৱস্থা তেনেই দুখ লগা আছিল। এবাৰ হেনো সকলো উৰুৱাই নিছিল। প্ৰাকৃতিক দুৰ্যোগ, বাধা বিঘিনিৰ মাজেৰে আহি আহি আমাৰ মহাবিদ্যালয় খনে ৩৫ বছৰত ভৰি দিছেহি। এই ৩৫ বছৰত মহাবিদ্যালয় খনে সমাজখনলৈ বহুখিনি অৰিহনা আগবঢ়াইছে।

শিক্ষা-দীক্ষা, সাংস্কৃতিক, প্ৰশাসনিক, সৌন্দৰ্য আদি সকলো দিশৰ পৰা এই মহাবিদ্যালয় খন জাকত জিলিকা। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকল সাংস্কৃতিক দিশত বহুখিনি আগৰণুৱা। উদাহৰণ স্বৰূপে, আমি পঢ়ি থকা সময়তে ২০০১-২০০২ ইং বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মিচ্ বুলুমণি ৰাভাই লোকগীত, বিষ্ণুৰাভা সংগীত আৰু জ্যোতি সংগীতত স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও বিভিন্ন জনে বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাইছে।

এই সকলোবোৰ কৃতকাৰ্যতাৰ আঁৰত আছে আমাৰ গুৰুসকলৰ নিষ্ঠা, কৰ্ত্তব্য পৰায়ণতা আৰু নীতি আদৰ্শ। তেওঁলোকে তেওঁলোকৰ জ্ঞানৰ পোহৰেৰে নিস্বাৰ্থ ভাবে আমাক বৰ্তমান সমাজত খাপ খুৱাই চলিবলৈ যি পথ দেখুৱালে তাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰ ঋণী হৈ ৰম।

তেওঁলোকে জ্ঞানৰ প্ৰদীপ জ্বলাই এই শিক্ষা মন্দিৰত যি পূজাঅৰ্চনা কৰিলে, তাৰেই ফলস্বৰূপে তেওঁলোকে লাভ কৰিছে একো একো জন উচ্চ শিক্ষাৰে শিক্ষিত সুনাগৰিক আৰু তেওঁলোকৰ জৰিয়তে গঢ়ি তুলিবলৈ সক্ষম হৈছে একো একোখন সুস্থ আৰু নিকা সামাজ। এই মহাবিদ্যালয় খনে সমাজ খনলে বহু খিনি অৱদান আগবঢ়াইছে। আৰু আগলৈও যাতে ইয়াৰ জ্যোতি ম্লান নহয় তাৰেই কামনা কৰিছোঁ।

প্ৰবন্ধবোৰৰ উপাদান তাৰ চিন্তাগত দিশটো। কোনো বিষয়ে নতুন প্ৰশ্নৰ অৱতাৰণা কৰা, কোনো বিষয়ে বিতৰ্কৰ সৃষ্টি কৰা, কোনো বিষয়ে প্ৰচলিত চিন্তাক নতুন দিশেৰে প্ৰবাহিত কৰা, দুটা বিষয়ৰ মাজত আগতে মানুহে নভবা নতুন যোগাযোগ আঙুলিয়াই দিয়া আনকি মানুহৰ চিন্তাৰ বাবে সম্পূৰ্ণ সমল যোগান ধৰা একোটা প্ৰবন্ধৰ চিন্তাই এনেবোৰ কাৰণতে মনোযোগ আকৰ্ষণ কৰে।

ড° হীৰেণ গোঁহাই

# মহাবিদ্যালয়ৰ গৌৰৱ



স্নাতক তৃতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাত ভূগোল বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা তাপস বেনাৰ্জী



স্নাতক তৃতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাত ভূগোল বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা ভাগ্যশ্ৰী বৰা



স্নাতক তৃতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাত ভূগোল বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা জিতেন বাভা




মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত দুবছৰ একেৰাহে শ্ৰেষ্ঠ গায়কৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হোৱা শ্ৰীহিমাংশু দাস




নৱাগত আদৰিণ সভাত বিশিষ্ট কণ্ঠশিল্পী তৰালী শৰ্মাই গীত পৰিৱেশন কৰি থকা মুহূৰ্ত্তত




বিশিষ্ট অভিনেত্ৰী তন্‌ভী শৰ্মাই নৱাগত আদৰণি সভাত নৃত্য পৰিৱেশন কৰি থকা মুহূৰ্ত্তত



আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষক তথা কৰ্মচাৰীসকলৰ একাংশ



বিভিন্ন বিভাগৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকলৰ সৈতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ২০০৯-২০১০



সম্পাদনা সমিতি, জৱাহৰজ্যোতি, ২০০৯-২০১০



মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকল

# ভিন্ন ৰস, ভিন্ন স্বাদ

## হাঁহো আহা



এদিন এজন ছাত্ৰই স্কুলৰ পৰা আহি মাকক ক'লে —
'মা আমাক ছাৰে আজি পাঁচটা অংক কৰিবলৈ দিছিল'
মাকঃ আটাইকেইটা অংক পাৰিছিলিনে?
ল'ৰাজন ঃ প্ৰথম তিনিটা আৰু শেষৰ দুটা নোৱাৰিলো।

প্ৰান্তিক কলিতা
উঃ মাঃ প্ৰথম বৰ্ষ

ড্ৰাইভাৰে ব্ৰেক মাৰি গাড়ী ৰাখি দিয়াত মদপী
যাত্ৰীজনে চিঞৰিলে — ঐ গাড়ী কিয় ৰাখিলি?
ড্ৰাইভাৰ - সন্মুখত আপোনাৰ ঘৰ, চাৰ।
মদপী — হৰ্ণ বজাই দে, আতঁৰি যাব নহয়।

মিচ বিউতি বড়ো
স্নাতক ১ম বৰ্ষ (কলা)

ৰঘু ঃ ঐ' কচোন পোহৰত কি দেখা নাপায়?
গৌৰব ঃ আন্ধাৰ আকৌ।

পুতেক ঃ ভগৱান বাৰু মাইকী নে কি মা? পৃথিৱীত যে এই ল'ৰা-ছোৱালীৰ সৃষ্টি কৰে।
মাকঃ বোপা, ভগৱান মতাও নহয়, মাইকীও নহয়। তেওঁ নিৰাকাৰ।
পুতেক ঃ (কিবা বুজি পোৱাৰ দৰে) অ' তাৰ মানে ভগৱান মাইকেল জেকচনৰ দৰে।

## অকথ্য

* জিভাৰ দৰে জঘন্য আঘাত তৰোৱালেও দিব নোৱাৰে।
* ভিক্ষাৰীয়ে কেতিয়াও চহকীক ঈৰ্ষা নকৰে।
* সৰহ কথা জনা জনে কথা কম কয়।
* উপযাচি পৰামৰ্শ দিব গ'লে অপদস্থ হোৱাৰ সম্ভাৱনা।
* মূৰ্খক সত্যৰ বিষয়ে বুজাই লাভ নাই।
* নজনা বিষয়ৰ ওপৰত মাত নমতাই ভাল।
* সমালোচনাৰ পৰা হাত সাৰিবলৈ একো নকৰিব, একো নক'ব, একো নহ'ব।
* যিসকলে নিজৰ অপব্যয়ৰ কথা জানে,তেওঁলোকেই চহকী হয়।
* দূৰৰ মন্দিৰলৈ গৈ ধূপ জ্বলোৱাতকৈ ঘৰৰ ওচৰতে ভাল কাম কৰা শ্ৰেয়।
* টকা-পইচাৰ লেন-দেন কৰিলেহে ভাল মানুহৰ স্বৰূপ ওলাই পৰে।
* উপদেশৰ বাহিৰে আন একোকে মানুহে ইমান উদাৰভাৱে দান কৰিব নোৱাৰে।
* বন্ধুবিলাক পকা আমৰ নিচিনা। ভালৰো ভাল এটা পাবলৈ হ'লে কেবাটাও আম পৰীক্ষা কৰি চাবই লাগিব।
* চিন্তা নকৰাকৈ অধ্যয়ন কৰা মানে বিনষ্ট শ্ৰম।
* ধৈৰ্য্য নেহেৰুৱাবলৈ সাহস লাগে, আৰু সাহসী হ'বলৈ ধৈৰ্য্য লাগে।
* অহংকাৰী লোক কুকুৰাৰ দৰে। কাৰণ কুকুৰাই ভাবে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱাল।
* এজন মানুহৰ গুৰুত্ব যিমান বাঢ়ে শত্ৰুও সেই অনুপাতে বাঢ়ে।
* আনৰ দান গ্ৰহণ কৰোতা জনে নিজৰ স্বাধীনতা বেচে।
* দুৰ্বুদ্ধিযুক্ত মানুহৰ মূৰত সৰ্বদা এটা চয়তান থাকে।
* বেয়া গছৰ পৰা ভাল ফল কেতিয়াও আশা কৰিব নোৱাৰি।
* স্বাৰ্থত বাধা পৰিলেই মানুহৰ প্ৰকৃত স্বৰূপ ওলাই পৰে।
* সন্দেহী লোকৰ শান্তি কেতিয়াও নাথাকে।
* অতি আশা যাৰ, সৰ্বনাশ তাৰ।
* নিজৰ বুদ্ধিত তৰিবা, পৰৰ বুদ্ধিত মৰিবা।

(দেওবৰীয়া খবৰৰ কেইটামান সংখ্যাৰ পৰা সংগ্ৰহ কৰা হ'ল।)

**বিজ্ঞানে আনিব জোৱাৰ**

## সাতৰঙৰ ৰামধেনু বাৰু কেনেনো সজালে

জ্যোতির্ময় ভৰালী, উঃ মাঃ প্ৰথম বৰ্ষ

বন্ধুহঁত আমি কেতিয়াবা পূব আকাশত আৰু কেতিয়াবা পশ্চিম আকাশত এখন সাতবৰণীয়া ৰামধেনু দেখিবলৈ পাওঁ নিশ্চয়। আমি ভাবো সেইখন ৰামৰ ধেনু। সেইখন ৰামৰ ধেনু নহয়নে, তেতিয়াহ'লেনো বাৰু সেইখন কি? ৰৰষুণৰ পাছত বা আগমুহূৰ্ত্তত আকাশত যেতিয়া পাতল মেঘ থাকে তেতিয়া অসংখ্য ক্ষুদ্ৰ পানীৰ কণিকাবা টোপাল বায়ুমণ্ডলত ভাহি ফুৰে। এই টোপালবোৰত পোহৰৰ ৰশ্মি পৰি প্ৰতিসাৰিত হ'লে ৰামধেনুৰ সৃষ্টি হয়। ৰামধেনু সদায় সূৰ্যৰ বিপৰীত ফালে দেখা যায়। পুৱা সূৰ্য পূবফালে উদয় হয় তেতিয়া ৰামধেনু তাৰ বিপৰীতফালে অৰ্থাৎ পশ্চিম আকাশত আৰু বেলি ডুব যোৱাৰ সময়ত ৰামধেনু দেখা যাব পূব আকাশত। ৰামধেনু সদায় পুৱা বা বেলি ডুব যোৱাৰ সময়তহে দেখা যায়। ৰামধেনু দুপৰীয়া দেখা নাযায়। তাৰ কাৰণো আছে। ৰামধেনু ওলোৱাৰ সময়ত সূৰ্য মূৰৰ ওপৰত নাথাকে। ৰামধেনু ওলোৱাৰ সময়ত সাধাৰণতে বৰষুণ কমি আহে। আৰু সূৰ্য যিফালে থাকে সেইফালৰ আকাশ পৰিষ্কাৰ হৈ সূৰ্যক উন্মুক্ত কৰি দিয়ে অথচ তাৰ বিপৰীত ফালে সুন্দৰকৈ মেঘৰে আবৰি থাকি তেতিয়াও অলপ বৰষুণ দি থাকে। ৰামধেনু ওপৰ ফালৰ পৰা তললৈকে এইকেইটা ৰঙে আবৰি থাকি 'ৰামধেনু' সৃষ্টি কৰে ৰঙা, সুমথিৰা, হালধীয়া, সেউজীয়া, নীলা, ঘন নীলা বেঙুনীয়া। ইংৰাজীত এই সাতোটা ৰঙক 'ভিবজিয়ৰ' বোলে। আমি ইচ্ছা কৰিলে কৃত্ৰিম ৰামধেনুৰ সৃষ্টি কৰিব পাৰো।

মুখত এমোকোৰা পানী ভৰাই লৈ ওপৰলৈ মাৰি পঠিয়ালে পানীৰ বিন্দুবোৰত সূৰ্যৰ ৰশ্মি পৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰামধেনুৰ সৃষ্টি হয়। বগা পোহৰক যে অইন ৰঙলৈ পৰিবৰ্তন কৰিব পাৰি সেই কথা আগৰ দিনৰ পণ্ডিতসকলে ভবাই নাছিল। বৈজ্ঞানিক পণ্ডিত নিউটনে এই কথা আৱিষ্কাৰ কৰিলে যে সূৰ্যৰ বগা পোহৰ বিভিন্ন ৰঙৰ সমষ্টি দেখোন। প্ৰাকৃতিক বৈচিত্ৰৰ ভিতৰত ৰামধেনু অন্যতম।

## ভূমিকম্প আৰু ইয়াৰ আঁৰৰ বিজ্ঞান

চিত্ৰলেখা ডেকা, স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

প্ৰাকৃতিক দুৰ্যোগ সমূহৰ ভিতৰত ভূমি কম্প অন্যতম। বৰ্তমান বিজ্ঞানে উচ্চতম শিখৰত আৰোহণ কৰিলেও ভূমিকম্পৰ আগজাননী দিব পৰা নাই। সেয়ে ভূমিকম্পই আজিও মানুহক সন্ত্ৰাসিত কৰি ৰাখিছে। ভূমিকম্পৰ ফলত ধন-জন হানি হোৱাৰ লগতে নগৰ চহৰ ধ্বংসস্তুপত পৰিণত হ'ব পাৰে। এই প্ৰাকৃতিক দুৰ্যোগৰ ওচৰত মানুহ কিমান যে নিঃসহায় তাক যোৱা ১২ জানুৱাৰী, ২০১০ চনত হাইটিত সংঘটিত হোৱা ভূমিকম্পলৈ আঙুলিয়াই দেখুৱাব পাৰি। এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৭.০। এই ভূমিকম্পৰ পাচত ইয়াক পাৰ্শ্ব প্ৰ ভাব হিচাবে ২৪ জানুৱাৰীলৈকে প্ৰায় ৫২ টা সৰু বৰ জোকাৰণি অনুভূত হয়। হাইটি'ৰ চৰকাৰী হিচাপ মতে ইয়াৰ ফলত ২৩০,০০০ (দুই লাখ ত্ৰিশ হাজাৰ) মানুহ মৃত্যু মুখত পৰে, তিনি লাখ আঘাত প্ৰাপ্ত হয় আৰু দহ লাখ লোক গৃহহীন হৈ পৰে। আমাৰ উত্তৰ পূব ভাৰত তথা অসমতো প্ৰায়ে ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। এই ভূমিকম্পসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে ১৮৯৭ চনৰ আৰু ১৯৫০ চনৰ ১৫ আগষ্টত সংঘটিত হোৱা ভূমিকম্প দুটা।

আমাৰ পৃথিৱীৰ খোলা কেবাটাও সৰু বৰ ফলক (Plate) ৰ সমষ্টি। এই ফলকৰ গতিৰ বাবে ভূমিকম্প হ'ব পাৰে। বষ্টনত (Boston) অৱস্থিত North EasternUniversity ৰপৃথিৱী আৰু পৰিবেশ বিজ্ঞান (Earth & Environmental Science) ৰ বিজ্ঞানী জেলফাৰ কোলে এক সাক্ষাৎকাৰত ভূমিকম্পৰ কাৰণ সম্বন্ধে উল্লেখ কৰে যে যেতিয়া টেকটনিক প্লেট সমূহে গতি কৰে, তেতিয়া এক প্ৰচণ্ড শক্তিৰ উদ্ভৱ হয়। এই শক্তি ধৰা পৃষ্ঠৰ তলত থকা শিলাস্তৰে ধৰি ৰাখিব নোৱাৰে। ফলত শিলাস্তৰ ভাঙিবলৈ আৰম্ভ কৰে। শিলাস্তৰত জমা হোৱা শক্তিৰ তৰংগ বাহিৰলৈ ওলাই আহে শিলভাঙি। ভূ-গৰ্ভৰ পৰা এনেদৰে শক্তি নিৰ্গত হলেই কঁপিবলৈ আৰম্ভ কৰে ভূ-পৃষ্ঠ। শেহতীয়াভাৱে হাইটি. জাপান, চীন আৰু চিলিত সংঘটিত হোৱা ভূমিকম্প এই পৰিঘটনাৰে পৰিণতি।

হিমবাহৰ বাবে ভূমিকম্প সংঘটিত হব পাৰে। পৃথিৱীৰ অন্তিম হিমবাহ যুগৰ সময়ত ২.৫ মাইল ডাঠ বৰফৰ তৰপ আছিল। এই তৰপে সদায় এক চাপ ধৰা পৃষ্ঠত দিছিল। কালক্ৰমত গোলকীয় উত্তাপ বৃদ্ধিআৰু আনুসঙ্গিক কাৰণত হিমবা হ গলিবলৈ আৰম্ভ কৰে আৰু বৰফৰ পৰিমানৰ লগতে চাপৰ পৰিমানো কমি আহিবলৈ আৰম্ভ কৰে। কিন্তু ধৰাপৃষ্ঠ পুনৰ আগৰ অৱস্থালৈ ঘূৰি যোৱাৰ প্ৰৱণতা হয়। ফলত সৃষ্টি হয় ভূমিকম্পৰ। তাৰোপৰি বিজ্ঞানী গৰাকীয়ে দাবী কৰে যে বৃহৎ নদী বান্ধৰ ফলতো ভূমিকম্প সৃষ্টি হব পাৰে। নদী বান্ধৰ বাবে নিৰ্মাণ কৰা বৃহৎ জলাশয় সমূহে পৃথিৱীৰ খোলাটোৰ ওপৰত চাপৰ সৃষ্টি কৰে। যাৰ ফলত ভূমিকম্প হব পাৰে।

সাধাৰণতে একোটা শক্তিশালী ভূমিকম্পৰ পাচত সৰু সৰু জোকাৰণিয়ে অঞ্চলটো কঁপাই থাকে। ডাঙৰ ভূমিকম্পৰ পাচত চাপৰ তাৰতম্যৰ বাবে অব্যাহত থাকে এই সৰু সৰু ভূমিকম্প। চুনামী বা ভূমিস্খলনো লক্ষ্য কৰা হয় ভূমিকম্পৰ পাচত। বিজ্ঞানীসকলে দাবী কৰে যে গোলকীয় উত্তাপ বৃদ্ধি ভূমিকম্পৰ এক কাৰণ হব পাৰে। মহাসাগৰত পানীৰ পৰিমাণ বৃদ্ধি আৰু পানীৰ উত্তাপ বৃদ্ধিৰ ফলত বৃদ্ধি পাইছে ভূমিকম্পৰ সংখ্যা। ইয়াৰ উপৰি হিমবাহ গলাৰ ফলত টেকটনিক প্লেটৰ ওপৰত চাপ কমে আৰু ইয়ে ভূমিকম্পৰ অন্যতম কাৰণ হ'ব পাৰে।

# বিশ্বকাপ ফুটবলৰ কেইটামান গুৰুত্বপূৰ্ণ তথ্য

করুণা কলিতা
স্নাতক ৩ য় বৰ্ষ (কলা)

* বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো গ'ল কৰাৰ কৃতিত্ব আছে ফ্ৰান্সৰ লুছিয়ে লুৰান্টৰ। তেওঁ মেক্সিকোৰ বিৰুদ্ধে ১৯৩০ চনৰ ১৩ জুলাইত খেলৰ ১৯ তম মিনিটত গ'লটো দিছিল।
* ১৯৭০ চনত প্ৰথমবাৰৰ বাবে "Red Card" আৰু "Yellow Card" ৰ ব্যৱহাৰ আৰম্ভ হয় মেক্সিকোত অনুষ্ঠিত বিশ্বকাপত।
* বিশ্বকাপৰ মূলপৰ্বত অংশগ্ৰহণ কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হ'ল নৰ্ডান আয়াৰলেণ্ডৰ (Nothern Ireland) নৰ্মান হোৱাইট হাউচ (১৭ বছৰ ৪১ দিন)
* এখন বিশ্বকাপৰ সৰ্বাধিক গ'ল কৰাৰ দলীয় অভিলেখ আছে হাংগেৰীৰ নামত। হাংগেৰীয়ে ১৯৫৪ চনৰ বিশ্বকাপত ২৭ টা গ'ল কৰিছিল।
* প্ৰথম ৰাউণ্ডৰ পৰাই বিশ্বকাপৰ সৰ্বাধিকবাৰ বিদায় লোৱা দল হৈছে স্কটলেণ্ড (৮ বাৰ)
* জাৰ্মানীৰ লোথাৰ মাথাউছে বিশ্বকাপৰ সৰ্বাধিক ২৫ খন মেচত অংশগ্ৰহণ কৰিছে।
* এই পৰ্যন্ত বিশ্বকাপৰ সৰ্বাধিক গ'লদাতা হৈছে ব্ৰাজিলৰ ৰ'নাল্ডো (১৫ টা, ৩ খন বিশ্বকাপ)।
* আনহাতে এখন বিশ্বকাপত সৰ্বাধিক গ'ল কৰিছে ফ্ৰান্সৰ জাষ্ট ফন্টেইনে (১৩ টা, ১৯৫৮ ছুইডেন বিশ্বকাপত)।
* ব্ৰাজিলেই একমাত্ৰ দেশ যিয়ে আটাইকেইখন বিশ্বকাপতঅংশগ্ৰহণ কৰিছে। এতিয়ালৈকে ব্ৰাজিলে ৯৭ খন মেচ খেলি অভিলেখ সংখ্যক ৬৭ খন মেচত জয়ী হৈছে।
* বিশ্বকাপত সৰ্বাধিক মেচখেলাৰ দলীয় অভিলেখ আছে জাৰ্মানীৰ নামত (৯৮ খন)।
* ১৯৩৪ চনৰ পৰা অবিৰতভাবে চেষ্টা কৰিও 'লুক্সেমবাৰ্গে' আজিলৈকে বিশ্বকাপৰ মূল পৰ্বত খেলাৰ যোগ্যতা অৰ্জন কৰিব পৰা নাই.
* বৰ্তমানলৈ ব্ৰাজিলে ৫ বাৰ , ইটালীয়ে ৪ বাৰ, জাৰ্মানীয়ে ৩ বাৰ, উৰুগুৱে আৰু আৰ্জেন্টিনাই ২ বাৰকৈ আৰু ইংলেণ্ড, ফ্ৰান্স আৰু স্পেইনে ১ বাৰকৈ বিশ্বকাপ খিতাপ অৰ্জন কৰিছে।

(প্ৰতিদিনৰ বিশ্বকাপ বিশেষৰ পৰা সংগ্ৰহিত)



# (জানিবলগীয়া কথা)

## *এই কথাবোৰ মনত ৰাখিলে কেতিয়াবা বৰ সুবিধা হ'ব*

### *কেইটামান উল্লেখযোগ্য দিৱস —*

| | | | |
|---|---|---|---|
| ১২ জানুৱাৰী | ঃ ৰাষ্ট্ৰীয় যুৱ দিৱস | ২৫ জানুৱাৰী | ঃ হিমাচল প্ৰদেশ দিৱস |
| ১৫ জানুৱাৰী | ঃ সেনা দিৱস | ২৬ জানুৱাৰী | ঃ গণতন্ত্ৰ দিৱস |
| ৩০ জানুৱাৰী | ঃ শ্বহীদ দিৱস | ৯ আগষ্ট | ঃ ভাৰত ত্যাগ আন্দোলন দিৱস |
| ৮ ফেব্ৰুৱাৰী | ঃ বিদ্যাৰ্থী দিৱস | ১৫ আগষ্ট | ঃ স্বাধীনতা দিৱস |
| ২০ ফেব্ৰুৱাৰী | ঃ অৰুনাচল আৰু মিজোৰাম দিৱস | ২০ আগষ্ট | ঃ সদ্ভাৱনা দিৱস |
| ২৮ ফেব্ৰুৱাৰী | ঃ ৰাষ্টীয় বিজ্ঞান দিৱস | ২৪ আগষ্ট | ঃ সংস্কৃত দিৱস |
| ৮ মাৰ্চ | ঃ বিশ্ব নাৰী দিৱস | ২৯ আগষ্ট | ঃ ৰাষ্ট্ৰীয় ক্ৰীয়া দিৱস |
| ১৫ মাৰ্চ | ঃ বিশ্ব গ্ৰাহক সুৰক্ষা দিৱস | ৫ ছেপ্তেম্বৰ | ঃ শিক্ষক দিৱস |
| ১৬ মাৰ্চ | ঃ যক্ষ্মা ৰোগ নিবাৰণী দিৱস | ৮ ছেপ্তেম্বৰ | ঃ বিশ্ব সাক্ষৰতা দিৱস |
| ২১ মাৰ্চ | ঃ বিশ্ব বন দিৱস | ২৭ ছেপ্তেম্বৰ | ঃ বিশ্ব পৰ্যটন দিৱস |
| ২৩ মাৰ্চ | ঃ বিশ্ব বতৰ বিজ্ঞান দিৱস | ১ অক্টোবৰ | ঃ বিশ্ব বৃদ্ধ দিৱস |
| ১ এপ্ৰিল | ঃ উৰিষ্যা দিৱস | ২ অক্টোবৰ | ঃ গান্ধী জয়ন্তী |
| ৫ এপ্ৰিল | ঃ সমতা দিৱস | ৪ অক্টোবৰ | ঃ বিশ্ব বন্যপ্ৰাণী দিৱস |
| ৭ এপ্ৰিল | ঃ বিশ্ব স্বাস্থ্য দিৱস | ৮ অক্টোবৰ | ঃ বায়ু সেনা দিৱস |
| ১৩ এপ্ৰিল | ঃ জালিয়ানাবাগ দিৱস | ৯ অক্টোবৰ | ঃ ডাকঘৰ দিৱস |
| ১৪ এপ্ৰিল | ঃ অগ্নিসেৱা দিৱস | ১৪ অক্টোবৰ | ঃ বিশ্ব মান দিৱস |
| ১৫ এপ্ৰিল | ঃ হিমাচল দিৱস | ১৬ অক্টোবৰ | ঃ বিশ্ব খাদ্য দিৱস |
| ১৮ এপ্ৰিল | ঃ বিশ্ব ঐতিহ্য দিৱস | ২৪ অক্টোবৰ | ঃ ৰাষ্ট্ৰসংঘ দিৱস |
| ২২ এপ্ৰিল | ঃ ধৰিত্ৰী দিৱস | ২৫ অক্টোবৰ | ঃ বিশ্ব শান্তি দিৱস |
| ২৩ এপ্ৰিল | ঃ বিশ্ব গ্ৰন্থ দিৱস | ৩০ অক্টোবৰ | ঃ বিশ্ব মিতব্যয়ীতা দিৱস |
| ২৪ এপ্ৰিল | ঃ মানৱ একতা দিৱস | ১৪ নৱেম্বৰ | ঃ শিশু দিৱস |
| ১ মে' | ঃ শ্ৰমিক দিৱস | ১৯ নৱেম্বৰ | ঃ কৌমি একতা দিৱস |

| | |
|---|---|
| ৮ মে' | ঃ ৰেডক্ৰছ দিৱস |
| ১৩ মে' | ঃ ৰাষ্ট্ৰীয় সংহতি দিৱস |
| ১৭ মে' | ঃ বিশ্ব দূৰ সংযোগ দিৱস |
| ২১ মে' | ঃ সন্ত্ৰাসবাৰ বিৰোধী দিৱস |
| ২৪ মে' | ঃ কমনৱেলথ দিৱস |
| ৩১ মে' | ঃ বিশ্ব ধূমপান বিৰোধী দিৱস |
| ৫ জুন | ঃ বিশ্ব পৰিবেশ দিৱস |
| ১ জুলাই | ঃ চিকিৎসক দিৱস |
| ১১ জুলাই | ঃ বিশ্ব জনসংখ্যা দিৱস |
| ১৯ নৱেম্বৰ | ঃ সংহতি দিৱস |
| ২০ নৱেম্বৰ | ঃ সংখ্যালঘু কম্যাণ দিৱস |
| ২৬ নৱেম্বৰ | ঃ আইন দিৱস |
| ১ ডিচেম্বৰ | ঃ বিশ্ব এইড্ছ দিৱস |
| ৩ ডিচেম্বৰ | ঃ বিশ্ব প্ৰতিবন্ধী দিৱস |
| ৪ ডিচেম্বৰ | ঃ নৌ সেনা দিৱস |
| ৪ ডিচেম্বৰ | ঃ শস্য দিৱস |
| ১০ ডিচেম্বৰ | ঃ মানৱ অধিকাৰ দিৱস |
| ১০ ডিচেম্বৰ | ঃ শক্তি সংৰক্ষণ দিৱস |
| ২৩ ডিচেম্বৰ | ঃ কৃষক দিৱস |

## *অসম আমাৰ ৰূপহী গুনৰো নাই শেষ*

### *অসমীয়া ভাষা সাহিত্যৰ প্ৰথম -*

| | | |
|---|---|---|
| প্ৰথম অসমীয়া কথা-কবিতাৰ ৰচয়িতা | ঃ | যতীন্দ্ৰ নাথ দুৱৰা |
| প্ৰথম অসমীয়া চুটি গল্পৰ ৰচয়িতা | ঃ | লক্ষ্মীনাথ বেজবৰুৱা |
| প্ৰথম অসমীয়া ছপা পুথি | ঃ | 'ধৰ্মপুস্তক' (১৮১৩), আত্মাৰাম শৰ্মা |
| প্ৰথম অসমীয়া ভ্ৰমণ কাহিনী | ঃ | 'বিলাতৰ চিঠি' (১৯৩৯), জ্ঞানদাভিৰাম বৰুৱা। |
| প্ৰথম অসমীয়া ছনেট | ঃ | 'প্ৰিয়তমাৰ চিঠি', হেমচন্দ্ৰ গোস্বামী |
| প্ৰথম অসমীয়া ছনেট পুথি | ঃ | 'মালচ' (১৯১৮) হিতেশ্বৰ বৰবৰুৱা |
| প্ৰথম অসমীয়া গদ্য লেখক | ঃ | ভট্টদেৱ |
| প্ৰথম অসমীয়া গদ্য ৰচনা | ঃ | ভট্টদেৱৰ 'কথা গীতা' |
| প্ৰথম অসমীয়া প্ৰকাশিত অভিধান | ঃ | 'অসমীয়া আৰু ইংৰাজী অভিধান' (১৮৬৭), প্ৰণেতা ঃ ডঃ মাইলছ ব্ৰনছন |
| প্ৰথম অসমীয়া ব্যাকৰণ | ঃ | 'গ্ৰামাৰ অব্ আছামিজ লেংগুৱেজ' (১৮৩৯), উইলিয়াম ৰবিনছন |
| প্ৰথম অসমীয়া ছপা বুৰঞ্জী | ঃ | 'আসাম বুৰন্‌জি পুথি (১৮৪৪), কাশীনাথ দ্বিজ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱা |

| | | |
|---|---|---|
| সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত প্ৰথম অসমীয়া পুথি | ঃ | 'বনফুল' (১৯৫২), যতীন্দ্ৰ নাথ দুৱৰা |
| সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত প্ৰথম অসমীয়া উপন্যাস | ঃ | 'ইয়াৰুইঙ্গম' (১৯৬১) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য |
| জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম অসমীয়া পুথি | ঃ | 'মৃত্যুঞ্জয়' (১৯৭৯), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য |
| প্ৰথম অসমীয়া আধুনিক নাটক | ঃ | 'ৰাম-নৱমী' (১৮৫৭), গুণাভিৰাম বৰুৱা |
| প্ৰথম অসমীয়া আধুনিক জীৱনী | ঃ | 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' (১৮৮০), গুণাভিৰাম বৰুৱা |
| প্ৰথম অসমীয়া অনাতাঁৰ নাটক | ঃ | 'বীণ বৰাগী', প্ৰফুল্ল চন্দ্ৰ বৰুৱা। এইখন নাটক ১৯৩৫ চনত আকাশবানীৰ কলিকতা কেন্দ্ৰৰ পৰা প্ৰচাৰ হৈছিল। |
| প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা | ঃ | 'বনকুৱৰী', চন্দ্ৰকুমাৰ আগৰৱালা। |
| ৰামায়ণৰ প্ৰথম অসমীয়া ভাঙনিকাৰ | | |
| অসমীয়া ভাষাৰ বিষয়ে কৰা প্ৰথম গৱেষণা-গ্ৰন্থ | ঃ | 'Assamese Its Formation and Development' (১৯৪০), ডঃ বাণীকান্ত কাকতি। |
| প্ৰথম অসমীয়া গল্প সংকলন | ঃ | 'সুৰভি' (১৯০৯), লক্ষ্মীনাথ বেজবৰুৱা। |
| প্ৰথম অসমীয়া ছপা উপন্যাস | ঃ | 'লাহৰী' (১৮৯২), পদ্মানাথ গোহাঞি বৰুৱা। |
| প্ৰথম অসমীয়া ঐতিহাসিক উপন্যাস | ঃ | 'ভানুমতী' (১৮৯০) পদ্মনাথ গোহাঞি বৰুৱা। |
| জনজাতীয় জীৱনৰ আধাৰত ৰচিত প্ৰথম অসমীয়া উপন্যাস | ঃ | 'মিৰি জীয়ৰী' (১৮৯৪), ৰজনীকান্ত বৰদলৈ। |
| প্ৰথম অসমীয়া অভিধান প্ৰণেতা | ঃ | 'যাদুৰাম ডেকাবৰুৱা' (১৮০১-১৮৬৯); এওঁ ১৮৩৯ চনতে এখন অসমীয়া-ইংৰাজী অভিধান ৰচনা কৰিছিল যদিও অভিধানখন প্ৰকাশ নহ'ল। |
| ৰামায়ণৰ কাহিনীৰ ভিত্তিত ৰচিত প্ৰথম অসমীয়া নাট | ঃ | 'ৰাম বিজয়', নাট্যকাৰ ঃ শংকৰদেৱ। |
| বিদেশী কাব্যৰ প্ৰথম পূৰ্ণাংগ অসমীয়া অনুবাদ | ঃ | 'ওমৰ তীৰ্থ' (১৯২৫), যতীন্দ্ৰনাথ দুৱৰা। |
| অমিত্ৰাক্ষৰ ছন্দত ৰচিত প্ৰথম কাব্য | ঃ | 'অভিমন্যু বধ' (১৮৭৫), ৰমাকান্ত চৌধুৰী। |
| ভাষাতত্ব বিষয়ক প্ৰথম অসমীয়া | | |

| | | |
|---|---|---|
| গৱেষণামূলক গ্ৰন্থ | ঃ | 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চিনাকি' (১৯১২), দেৱানন্দ ভৰালী। |
| অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী | ঃ | 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯১২), দেবেন্দ্ৰনাথ বেজবৰুৱা। |
| অসমীয়া ভাষাৰ বিষয়ে অসমীয়া লেখকে লিখা প্ৰথম কিতাপ | ঃ | 'A Few Remarks of Assamese Langauge', আনন্দৰাম ঢেকিয়াল ফুকন। |
| প্ৰথম অসমীয়া শিশু উপন্যাস | ঃ | 'পাতালপুৰী' (কুৰি শতিকাৰ প্ৰথম ভাগত প্ৰকাশিত), হৰগোবিন্দ শৰ্মা। |

## *অসম সাহিত্য সভাৰ সভাপতিসকল -*

| নাম | অধিৱেশন অনুষ্ঠিত হোৱা ঠাই | চন |
|---|---|---|
| ১) পদ্মনাথ গোহাঞি বৰুৱা | শিৱসাগৰ | ডিচেম্বৰ,১৯১৭ |
| ২) চন্দ্ৰধৰ বৰুৱা | গোৱালপাৰা | ডিচেম্বৰ,১৯১৮ |
| ৩) কালিৰাম মেধি | বৰপেটা | ডিচেম্বৰ,১৯১৯ |
| ৪) হেমচন্দ্ৰ গোস্বামী | তেজপুৰ | ডিচেম্বৰ,১৯২০ |
| ৫) অমৃতভূষ ণ দেৱ অধিকাৰী | যোৰহাট | মাৰ্চ-এপ্ৰিল,১৯২৩ |
| ৬) কনকলাল বৰুৱা | ডিব্ৰুগড় | এপ্ৰিল,১৯২৪ |
| ৭) লক্ষ্মীনাথ বেজবৰুৱা | গুৱাহাটী | ডিচেম্বৰ,১৯২৪ |
| ৮) ৰজনীকান্ত বৰদলৈ | নগাওঁ | ডিচেম্বৰ,১৯২৫ |
| ৯) বেনুধৰ ৰাজখোৱা | ধুবুৰী | অক্টোবৰ,১৯২৬ |
| ১০) তৰুনৰাম ফুকন | গোৱালপাৰা | অক্টোবৰ,১৯২৭ |
| ১১) কমলাকান্ত ভট্টচাৰ্য | যোৰহাট | মাৰ্চ,১৯২৯ |
| ১২) মফিজুদ্দিন আহমদ হাজৰিকা | গোলাঘাট | মাৰ্চ,১৯৩০ |
| ১৩) নগেন্দ্ৰ নাৰায়ন চৌধৰী | শিৱসগৰ | ডিচেম্বৰ,১৯৩১ |
| ১৪) জ্ঞানদাভিৰাম বৰুৱা | উত্তৰ লক্ষীমপুৰ | ডিচেম্বৰ,১৯৩৩ |
| ১৫) আনন্দ চন্দ্ৰ আগৰৱালা | মঙ্গলদৈ | ডিচেম্বৰ,১৯৩৪ |

| | | |
|---|---|---|
| ১৬) ৰঘুনাথ চৌধৰী | তেজপুৰ | এপ্ৰিল,১৯৩৬ |
| ১৭) কৃষ্ণকান্ত সন্দিকৈ | গুৱাহাটী | ডিচেম্বৰ,১৯৩৭ |
| ১৮) মিয়িদুল ইছলাম বৰা | যোৰহাট | ডিচেম্বৰ,১৯৪০ |
| ১৯) নীলমণি ফুকন | শিৱসাগৰ | অক্টোবৰ,১৯৪৪ |
| ২০) নীলমণি ফুকন | ডিব্ৰুগড় | এপ্ৰিল,১৯৪৭ |
| ২১) অম্বিকাগিৰি ৰায় চৌধৰী | মাৰ্ঘেৰিটা | মাৰ্চ, ১৯৫০ |
| ২২) সূৰ্যকুমাৰ ভূঞা | শ্বিলং | নৱেম্বৰ, ১৯৫৩ |
| ২৩) নলিনীবালা দেৱী | যোৰহাট | ১ জানুৱাৰী,১৯৫৪ |
| ২৪) যতীন্দ্ৰনাথ দুৱৰা | গুৱাহাটী | ডিচেম্বৰ,১৯৫৫ |
| ২৫) বেনুধৰ শৰ্মা | ধুবুৰী | ডিচেম্বৰ,১৯৫৬ |
| ২৬) পদ্মধৰ চলিহা | তিনিচুকীয়া | ১৯৫৮ |
| ২৭) অতুল চন্দ্ৰ হাজৰিকা | নগাঁও | ১৯৫৯ |
| ২৮) ত্ৰৈলোক্যনাথ গোস্বামী | মিৰ্জা, পলাশবাৰী | ১৯৬০ |
| ২৯) ত্ৰৈলোক্যনাথ গোস্বামী | গোৱালপাৰা | ১৯৬১ |
| ৩০) ৰত্নকান্ত বৰকাকতী | নাজিৰা | ১৯৬৩ |
| ৩১) মিত্ৰদেৱ মহন্ত | ডিগবৈ | ১৯৬৪ |
| ৩২) ডিম্বেশ্বৰ নেওগ | নলবাৰী | ১৯৬৫ |
| ৩৩) বিনন্দ চন্দ্ৰ বৰুৱা | উত্তৰ লখিমপুৰ | ১৯৬৬ |
| ৩৪) নকুল চন্দ্ৰ ভূঞা | ডিব্ৰুগড় | ১৯৬৭ |
| ৩৫) জ্ঞাননাথ বৰা | তেজপুৰ | ১৯৬৮ |
| ৩৬) আনন্দ চন্দ্ৰ বৰুৱা | বৰপেটা | ১৯৬৯ |
| ৩৭) উপেন্দ্ৰ নাথ লেখাৰু | থিং | ১৯৭০ |
| ৩৮) তীৰ্থ নাথ শৰ্মা | মাকুম | ১৯৭১ |
| ৩৯) হেম বৰুৱা | ধুবুৰী | ১৯৭২ |
| ৪০) গিৰিধৰ শৰ্মা | বঙিয়া | ১৯৭৩ |
| ৪১) মহেশ্বৰ নেওগ | মঙ্গলদৈ | ১৯৭৪ |
| ৪২) সত্যেনাথ শৰ্মা | তিতাবৰ | ১৯৭৫ |